আমাৰ অসম

# উত্তৰ গুৱাহাটীৰ শিশুগ্ৰামৰ সোণালী জয়ন্তী

'আমাৰ অসম'ৰ প্ৰতিনিধি, আমিনগাঁও, ১০ মে' ঃ ১৯৭৫ চনৰ ৯ অক্টোবৰত, সেই সময়ত অসমৰ প্ৰাকৃতিক দুৰ্যোগত অনাথ হোৱা শিশুসকলক আশ্ৰয় দিবলৈ জন্মহোৱা শিশুগ্ৰামে গৌৰৱেৰে পঞ্চাছ বছৰত ভৰি দিলে। গৌৰৱোজ্জ্বল সময়ত বছৰযোৰা বিভিন্ন কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ পালন কৰিব বিচৰা হৈছে। ইয়াৰে অংশ হিচাপে কালি উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত বিদ্যালয় দুখনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ 'শিশুৰ সুৰক্ষা, অধিকাৰ আৰু আইন' বিষয়ক দুখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইয়াৰে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সভাত বিদ্যালয়ৰ অধ্যক্ষা পূৰবী ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে যুদ্ধ আৰু পেহেলগামত নিহত শ্বহিদসকলৰ বিদেহ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। পাৰ্থ প্ৰতিম বৰকাকতিয়ে আঁত ধৰা সভাখনত প্ৰভাত শৰ্মাই শিশুগ্ৰামৰ বিষয়ে কোৱাৰ লগতে থানেশ্বৰ শৰ্মাই আজি ৰবীন্দ্ৰ জয়ন্তী বাবে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিষয়ে চমুকৈ কয়। অসম চৰকাৰৰ জিলা শিশু সুৰক্ষা বিষয়া মুনমুন সাধনিদৰ নেওগ আৰু অভিত চন্দ্ৰ ৰাভাই শিশুৰ সুৰক্ষা, অধিকাৰ আৰু আইনৰ বিষয়ে সুন্দৰকৈ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। শেষত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিশুৰ প্ৰয়োজনীয় জ্ঞানৰ ওপৰত আব্দুৰ ৰছীদ চৌধুৰীৰ তত্ত্বাবধানত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছত বিয়লি ১বজাৰ পৰা উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ শইকীয়াৰ সভাপতিত্বত পিছৰখন সজাগতা সভা অনুষ্ঠিত হয়। প্ৰায় ২০০ গৰাকী ছাত্ৰী আৰু শিক্ষয়িত্ৰীক, বিশেষকৈ ছোৱালীসকলক তেওঁলোকৰ বিভিন্ন সমস্যা আৰু ল'ব লগা সাৱধানতাৰ বিষয়ে সজাগ কৰি দিয়ে। পিছত ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। গৌৰীকান্ত কাকতি উপস্থিত থকা সভাখনৰ শেষত পাৰ্থ প্ৰতিম বৰকাকতিয়ে বাহিজৰ সহায়-সহযোগিতাত চলি থকা শিশুগ্ৰামৰ শিশুসকললৈ সকলো শ্ৰেণীৰ বাহিজৰ মৰম স্নেহ আশা কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সকলোৰে শলাগ লয়। সভাত শিশুগ্ৰামৰ তত্ত্বাবধায়ক মৃদুস্মিতা বৰকাকতিও উপস্থিত থাকে।

## উত্তৰ গুৱাহাটীৰ শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষ

# ৰংমহল হাইস্কুলত সজাগতা সভা সম্পন্ন

মহানগৰ বাতৰি সেৱা

উত্তৰ গুৱাহাটী, ২৪ মে' ঃ উত্তৰ গুৱাহাটীৰ শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি কালি উত্তৰ গুৱাহাটী ৰংমহল হাইস্কুলত তৃতীয়খন সজাগতা সভা অনুষ্ঠিত হয়। ৰংমহল হাইস্কুলৰ অধ্যক্ষ দীপক দাসৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰভাত শৰ্মাই। সভাত পাৰ্থ প্ৰতিম বৰকাকতিয়ে শিশুগ্ৰামৰ বিষয়ে ব্যাখ্যা কৰি শিশুসকলৰ প্ৰতি সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ সহানুভূতিৰ প্ৰয়োজনীয়তা থকাৰ কথা কয়। ছাত্ৰীসকলক বিপদত পৰিলে



কিদৰে সহায় ল'ব লাগে, সেই বিষয়ে সজাগ কৰাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীকে যিকোনো ৰাগিয়াল বস্তুৰপৰা নিজৰ লগতে আনকো আঁতৰাই ৰাখিবলৈ অনুৰোধ জনায়। সকলো ছাত্ৰ-ছাত্ৰীকে নিজকে একোজন সৎ নাগৰিকৰূপে গঢ় দি সমাজলৈ সেৱা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। বিশিষ্ট সমাজকৰ্মী থানেশ্বৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢ়া-শুনা কৰি সুনাগৰিকৰূপে নিজকে গঢ় দিবলৈ অনুৰোধ জনায়। তেওঁ লগতে শিশু সুৰক্ষা আইনৰ বিষয়ে কয়। সভাৰ শেষত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিশুসকলৰ প্ৰয়োজনীয় কেইটামান বিষয়ক লৈ এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰভাত শৰ্মাৰ লগতে কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে। অধ্যক্ষ দীপক দাসে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# উত্তৰ গুৱাহাটীৰ শিশুগ্ৰামৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ১০ মে' ঃ** ১৯৭৫ চনৰ ৯ অক্টোবৰতঅসমৰ প্ৰাকৃতিক দুৰ্যোগত অনাথ হোৱা শিশুসকলক আশ্ৰয় দিবলৈ জন্ম হোৱা শিশুগ্ৰামে গৌৰৱেৰে পঞ্চাছ বছৰত ভৰি দিলে। গৌৰবোজ্জ্বল সময়ত বছৰযোৰা বিভিন্ন কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ পালন কৰিব বিচৰা হৈছে। ইয়াৰে অংশ হিচাপে কালি উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত বিদ্যালয় দুখনৰ ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ 'শিশুৰ সুৰক্ষা, অধিকাৰ আৰু আইন' বিষয়ক দুখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইয়াৰে আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সভাত বিদ্যালয়ৰ অধ্যক্ষা পূৰবী ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে যুদ্ধ আৰু পেহেলগামত নিহত শ্বহিদসকলৰ বিদেহ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। পাৰ্থ প্ৰতিম বৰকাকতিয়ে আঁতধৰা সভাখনত প্ৰভাত শৰ্মাই শিশুগ্ৰামৰ বিষয়ে কোৱাৰ লগতে থানেশ্বৰ শৰ্মাই আজি ৰবীন্দ্ৰ জয়ন্তী বাবে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিষয়ে চমুকৈ কয়। অসম চৰকাৰৰ জিলা শিশু সুৰক্ষা বিষয়া মুনমুন সাধনিদৰ নেওগ আৰু অডিত চন্দ্ৰ ৰাভাই শিশুৰ সুৰক্ষা, অধিকাৰ আৰু আইনৰ বিষয়ে সুন্দৰকৈ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। শেষত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিশুৰ প্ৰয়োজনীয় জ্ঞানৰ ওপৰত আব্দুৰ ৰছীদ চৌধুৰীৰ তত্বাবধানত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছত বিয়লি ১ বজাৰ পৰা উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলত বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ শইকীয়াৰ সভাপতিত্বত পিছৰখন সজাগতা সভা অনুষ্ঠিত হয়। প্ৰায় ২০০গৰাকী ছাত্ৰী আৰু শিক্ষয়িত্ৰীক, বিশেষকৈ ছোৱালীসকলক তেওঁলোকৰ বিভিন্ন সমস্যা আৰু লব লগা সাবধানতাৰ বিষয়ে সজাগ কৰি দিয়ে। পিছত ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুস্থিত কৰা হয়। গৌৰীকান্ত কাকতি উপস্থিত থকা সভাখনৰ শেষত পাৰ্থ প্ৰতিম বৰকাকতিয়ে ৰাইজৰ সহায় সহযোগিতাত চলি থকা শিশুগ্ৰামৰ শিশু সকলৈ সকলো শ্ৰেণীৰ ৰাইজৰ মৰম স্নেহ আশা কৰি সকলোকে ধন্যবাদ জ্ঞপন কৰাৰ লগতে সকলোৰে শলাগ লয়।সভাত শিশুগ্ৰামৰ তত্ত্বাবধায়ক মৃদুস্মিতা বৰকাকতিও উপস্থিত থাকে।